# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-09-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয়টো চৌহদ হিচাপে ছাৰ জগদীশ চন্দ্ৰ বসু চৌহদ মুকলি কৰে। হোজাইৰ সাগৰবস্তিৰ প্ৰায় ৮২ বিঘা ভূমিত ৫৫ কোটি ৫০ লাখ টকা ব্যয়েৰে এই চৌহদটো নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে ৰাজ্যত এসময়ত ৩ খন চিকিৎসা মহাবিদ্যালয় আছিল আৰু বৰ্তমান এনে চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১৪ লৈ বৃদ্ধি পাইছে। চৰকাৰে অসমত ৩০ খন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। স্বৰাজত্বৰ কালৰ অসমত যিমান শিক্ষানুষ্ঠানৰ জন্ম হৈছে তাৰ সকলো অভিলেখ যোৱা কেইটামান বছৰত ভংগ হোৱা বুলি মন্তব্য কৰি ডঃ শৰ্মাই কয় যে অসমত এসময়ত বিশ্ববিদ্যালয় বুলিবলৈ কেৱল গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় আছিল যদিও বিগত কেইটামান বছৰত ৰাজ্যত বহুকেইখন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। তেওঁ কয় যে অসমত জ্ঞান আৰু প্ৰজ্ঞাৰ নতুন আন্দোলন আৰম্ভ হৈছে। তেওঁ কয় যে সভ্যতাৰ ভেটি প্ৰাচীন পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰে যদিও সময়ৰ সৈতে প্ৰাসংগিক হৈ নাথাকিলে সেই সভ্যতা কেতিয়াও জীয়াই নাথাকে। বিশ্ববিদ্যালয়সমূহ পুৰাতন অধ্যয়নৰ লগতে আধুনিক জ্ঞান আৰু বিজ্ঞানৰ চৰ্চাৰ কেন্দ্ৰ হ'ব লাগে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। চলিত বৰ্ষৰ আৰম্ভণিতে হোৱা এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ সফলতাৰ বিষয়ে উল্লেখ কৰি ডঃ শৰ্মাই কয় যে এই সন্মিলনৰ ছমাহৰ ভিতৰত এক লাখ ৪০ হাজাৰ কোটি টকাৰ বিনিয়োগ অসমলৈ আহিছে। নামৰূপত সাৰ কাৰখানা, জাগীৰোডত চেমি কনডাক্টৰ প্ৰকল্প, ধুবুৰীত ৩ হাজাৰ ২০০ মেগাৱাট শক্তি সম্পন্ন তাপবিদ্যুৎ প্ৰকল্প, গুৱাহাটীত চিকিৎসালয় আৰু হোটেলৰ সমন্বয়েৰে চিকিৎসা পৰ্যটন, নুমলিগড় শোধনাগাৰাত বাহেৰে ইথানল প্ৰস্তুতকে ধৰি বিভিন্ন প্ৰকল্প ৰূপায়ণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অসমক উৎপাদনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা চলোৱা বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয় যে উজনিৰ পৰা নামনিলৈ কেইবাটাও বিশাল উদ্যোগ স্থাপন হ'ব। ৰাজ্যৰ যুৱক-যুৱতীক ইয়াত নিয়োগৰ বাবে উপযুক্ত কৰি তুলিবলৈ ৰাজ্যৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহৰ প্ৰতি আহ্বান জনায়।

০০০০০

অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ মনোনয়ন দাখিল পৰ্বৰ আজি সামৰণি পৰে। তামুলপুৰত পাঁচটা পৰিষদীয় সমষ্টিৰ বাবে আজি ২১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। দৰঙাজুলি, নাগ্ৰীজুলি আৰু শুক্লাই চেৰফাং সমষ্টিৰ মনোনয়ন পত্ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত গ্ৰহণ কৰা হয়। গয়বাৰী আৰু গোৰেশ্বৰ

সমষ্টিৰ বাবে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত জমা কৰা হয়। দৰঙাজুলি সমষ্টিত তিনিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। নাগ্ৰীজুলি সমষ্টিত ৬গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে পাঁচগৰাকী নিৰ্দলীয় আৰু এগৰাকী ইউ পি পি এলৰ প্ৰাৰ্থী। গয়বাৰী সমষ্টিত বি পি এফৰ জিতেন মুছাহাৰী, ইউ পি পি এলৰ প্ৰমোদ বড়ো, কংগ্ৰেছৰ ৰুমী সিং মুছাহাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰদীপ ৰাভা নামৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়েও সমষ্টিটোত মনোনয়ন পত্ৰ জমা দিয়ে। শুক্লাই চেৰফাং সমষ্টিত বি পি এফৰ গণেশ কছাৰী, ইউ পি পি এলৰ প্ৰদীপ নাৰ্জাৰী আৰু নাইবেন্দ্ৰ বড়ো নামৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে গোৰেশ্বৰ সমষ্টিত বি পি এফৰ মহেশ্বৰ বসুমতাৰী, চি পি আই এমৰ নিকুঞ্জ চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থী ধৰণীধৰ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে।

কোকৰাঝাৰত ১২ টা পৰিষদীয় সমষ্টিৰ বাবে মুঠ ১২৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। জিলাখনত মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনা বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য আৰু ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱে দোতমা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। দেৱৰগাঁও সমষ্টিত বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়েও আজি মনোনয়ন পত্ৰ জমা কৰে।

চিৰাং জিলাত ৭ টা পৰিষদীয় সমষ্টিত আজি ৩৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। থুৰিবাৰী সমষ্টিত বিজনীৰ বিধায়ক বিজেপিৰ অজয় কুমাৰ ৰায়ক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। দলটোৰ প্ৰভাত বসুমতাৰী আৰু সুভাষ চন্দ্ৰ বসমুতাৰীয়ে সুভাইঝাৰ আৰু মানাস চেৰফাং সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে।

বাক্সা জিলাত ছটা সমষ্টিৰ বাবে ৬১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে ৪৫গৰাকীয়ে আজি আৰু ১৬ গৰাকীয়ে কালি মনোনয়ন দাখিল কৰে। ০০০

০০০০০

ধেমাজি আৰক্ষীয়ে শেহতীয়াকৈ কেইবাখনো শিক্ষানুষ্ঠানত বাল্য বিবাহ আৰু নতুন ফৌজদাৰী আইন সন্দৰ্ভত এলানি সজাগতা সভা অনুষ্ঠিত কৰে। গোগামুখ তুলসীবাৰী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, ধেমাজি ৰায় চাপৰি উচ্চ মাধ্যমিক বিদ্যালয় আৰু মৰিচল মহাবিদ্যালয়ত সজাগতা সভাৰ লগতে বক্তৃতা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়ৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মাজত সজাগতা সভা অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে নতুন অপৰাধ আইনৰ বিষয়ে বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। শ্ৰেষ্ঠ তিনিগৰাকী প্ৰতিযোগীক প্ৰশংসা পত্ৰ আৰু বঁটাৰে পুৰস্কৃত কৰা হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ